**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-01-2026 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় ষ্টাৰ্টআপ দিৱসত দেশৰ ষ্টাৰ্টআপ সম্প্ৰদায়লৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

২। থিৰুৱল্লুভৰ দিৱস উপলক্ষে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নাগৰিকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। চৰকাৰে সংসদৰ সমাগত বাজেট অধিবেশনত বীজ বিধেয়ক ২০২৬ উত্থাপন কৰিব।

৪। প্ৰতিবাদকাৰীসকলক দমনৰ বাবে ইৰানে গ্ৰহণ কৰা হিংসাত্মক কাৰ্যকলাপ বন্ধ কৰাৰ বাবে আমেৰিকাই ইৰানক সকিয়নী দিয়ে।

**আৰু**

৫। জম্মু-কাশ্মীৰৰ বিভিন্ন অঞ্চলত পাকিস্তানী ড্ৰোণ দেখা পোৱাৰ পৰিপ্ৰেক্ষিতত নিৰাপত্তা বাহিনীৰ লোকসকল তৎপৰ হৈ উঠিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ষ্টাৰ্টআপ ইণ্ডিয়া পদক্ষেপৰ এটা দশক সম্পূৰ্ণ হোৱা উপলক্ষে আজি ৰাষ্ট্ৰীয় ষ্টাৰ্টআপ দিৱসত দেশৰ প্ৰাণৱন্ত ষ্টাৰ্টআপ সম্প্ৰদায়লৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰী মোদীয়ে কয়, যে এই দিৱসে বিশ্ব ষ্টাৰ্টআপ পৰিৱেশতন্ত্ৰত ভাৰতৰ স্থান শক্তিশালী কৰা যুৱক-যুৱতীসকলৰ সাহস, উদ্ভাৱন আৰু উদ্যোগী মনোভাৱক উদযাপন কৰে। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে ভাৰতে আৰম্ভ কৰা ৰিফ'ৰ্ম এক্সপ্ৰেছ্ ইণ্ডিয়াৰ দ্বাৰা ষ্টাৰ্টআপসমূহে মহাকাশ আৰু প্ৰতিৰক্ষাৰ দৰে নতুন ক্ষেত্ৰসমূহলৈ উদ্যোগ লোৱাৰ এক অতি অনুকুল পৰিৱেশৰ সৃষ্টি কৰিছে। তেওঁ লগতে কয়, যে আত্ম নিৰ্ভৰ ভাৰত গঢ়ি তোলাত ষ্টাৰ্টআপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে যুৱ উদ্ভাৱকসকলক সহায় কৰাৰ বাবে চৰকাৰৰ দায়বদ্ধতাক পুনৰ দৃঢ় কৰি কয়, যে চৰকাৰে সকলো অংশীদাৰৰ সৈতে দেশৰ ষ্টাৰ্টআপ পৰিৱেশতন্ত্ৰ আৰু অধিক শক্তিশালী কৰাৰ বাবে কাম কৰি আহিছে।

প্ৰধানমন্ত্ৰীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ষ্টাৰ্টআপ ইণ্ডিয়া উদ্যমৰ এটা দশক সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে দেশৰ ষ্টাৰ্ট আপ ব্যৱস্থাৰ সৈতে জড়িত লোকসকলৰ সৈতে মতবিনিময় কৰিব। ষ্টাৰ্টআপ খণ্ডৰ বচা বচা প্ৰতিনিধিয়ে তেওঁলোকৰ উদ্যমী যাত্ৰাৰ অভিজ্ঞতাৰ বিষয়ে অনুষ্ঠানত অৱগত কৰিব।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীয়ে উদ্ভাৱন, উদ্যমশীলতাৰ প্ৰসাৰ আৰু বিনিয়োগ আধাৰিত বিকাশ সুনিশ্চিত কৰাৰ উদ্দেশ্যে ২০১৬চনৰ ১৬ জানুৱাৰীত ষ্টাৰ্ট আপ ইণ্ডিয়া উদ্যম মুকলি কৰিছিল। ভাৰতবৰ্ষক চাকৰি প্ৰত্যাশীৰ পৰিৱৰ্তে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিকাৰী ৰাষ্ট্ৰৰূপে গঢ়িতোলাই এই উদ্যমৰ মূল উদ্দেশ্য।

বিগত দশকত ষ্টাৰ্টআপ ইণ্ডিয়া ভাৰতৰ অৰ্থনৈতিক আৰু উদ্ভাৱনমূলক পৰিকাঠামোৰ মূল ভেটি ৰূপে পৰিগণিত হৈছে। এই উদ্যমে প্ৰতিষ্ঠানগত ব্যৱস্থা সবল কৰি তুলিছে আৰু পুঁজি তথা দিকনিৰ্দেশনা লাভৰ প্ৰক্ৰিয়া সুগম কৰি তুলিছে।

০০০০০০০০০

আজি ৰাষ্ট্ৰীয় ষ্টাৰ্ট আপ দিৱস উপলক্ষে কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কয় যে যোৱা এটা দশক ধৰি ভাৰতৰ ষ্টাৰ্ট আপ পৰিস্থিতিতন্ত্ৰই ঐতিহাসিক মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে। ভাৰতৰ উদ্ভাৱন, স্থিতিস্থাপকতা আৰু গোলকীয় স্বীকৃতিৰ যাত্ৰাক যোৱা দশকটোত প্ৰতিফলিত হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উদ্যমী, উদ্ভাৱক আৰু ঔদ্যোগিক নেতাসকলক সম্বোধন কৰি কয় যে ভাৰতৰ ষ্টাৰ্ট আপ যাত্ৰা হৈছে সফলতা, বিকাশ, প্ৰচেষ্টা আৰু জয়ৰ যাত্ৰা। তেওঁ কয় যে ভাৰত বৰ্তমান বিশ্বৰ তৃতীয় বৃহৎ ষ্টাৰ্ট আপ পৰিস্থিতিতন্ত্ৰত উপনীত হৈছে। ভাৰতৰ ষ্টাৰ্ট আপ যাত্ৰাৰ অংশ হোৱা বাবে তেওঁ দেশৰ যুৱপ্ৰজন্মক প্ৰশংসা কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰতিটো সফল ষ্টাৰ্ট আপৰ অন্তৰালত থকা উদ্যমৰ শলাগ লয়।

০০০০০০০০০

থিৰুৱল্লুভৰ দিৱস উপলক্ষে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নাগৰিকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই দিৱসে মানুহক শিকায় যে প্ৰেম জীৱনৰ ভেটি। প্ৰেম আৰু ক্ষমাই মানুহৰ জীৱনৰ কৰ্মক নিৰ্দেশনা দিয়ে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে দাৰ্শনিকসকলে মানৱ সমাজত প্ৰতিটো যুগতে দিক-নিৰ্দেশনা দি আহিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে থিৰুৱল্লুভৰৰ কৰ্ম আৰু আদৰ্শই অসংখ্য লোকক প্ৰেৰণা যোগাই আহিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে দাৰ্শনিকগৰাকীয়ে এখন মিলাপ্ৰীতি আৰু সমন্বয়ৰ সমাজত আস্থা ৰাখিছিল। তেওঁ লগতে কয় যে থিৰুৱল্লুভৰে তামিল সংস্কৃতিৰ উৎকৰ্ষ সাধন কৰিছিল। প্ৰধানমন্ত্ৰীয়ে দেশৰ নাগৰিকক তিৰুকুৰল পঢ়াৰ বাবে আহ্বান জনায়, কিয়নো এই গ্ৰন্থখনত থিৰুৱল্লুভৰৰ অসামান্য বুদ্ধিদীপ্ততাৰ জিলিকনি প্ৰতিফলিত হৈছে।

০০০০০০০০০

চৰকাৰে সংসদৰ সমাগত বাজেট অধিবেশনত বীজ বিধেয়ক ২০২৬ উত্থাপন কৰিব। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে এই বিধেয়কৰ জৰিয়তে নিম্ন মানৰ, ভুৱা আৰু অকৰ্তৃত্বশীল বীজৰ বিক্ৰী বন্ধ কৰাৰ লক্ষ্য লৈছে। এই বিধেয়কৰ জৰিয়তে উচ্চ গুণসম্পন্ন, অনুমোদনপ্ৰাপ্ত বীজ কৃষকক যোগান ধৰা আৰু জলবায়ু উপযোগী বীজৰ যোগান ধৰাৰ লক্ষ্যও নিশ্চিত কৰিব। তেওঁ লগতে কয় যে এই নতুন আইনে স্বচ্ছতাৰ দিশটো নিশ্চিত কৰিব যাৰ জৰিয়তে খেতিয়কে বীজ ক'ৰ পৰা আহে আৰু কোনে তেওঁলোকক যোগান ধৰে সেই কথা জানিব পাৰিব।

০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কয় যে মকৰ সংক্ৰান্তি কৃষকৰ উৎসৱ আৰু তেওঁলেকে আজিৰ দিনটোতেই নতুন বছৰ আৰম্ভ কৰে। নতুন দিল্লীত আজি তৃতীয় বিশ্ব চিলা মহোৎসৱত ভাষণ দি শ্ৰী শ্বাহে কয় যে বিখ্যাত কবি কালিদাসে ভাৰতৰ বাবে এটি এষাৰি সুন্দৰ বাক্যাংশ ব্যৱহাৰ কৰি থৈ গৈছে। উৎসৱ-প্ৰিয়া জনহ - ইয়াৰ অৰ্থ হৈছে ভাৰতৰ জনসাধাৰণৰ উৎসৱৰ প্ৰতি আকৰ্ষণ। তেওঁ কয় যে প্ৰতিটো ঋতুতে আৰু সকলো সময়তে দেশৰ জনসাধাৰণে উৎসৱৰ আয়োজন কৰে। শ্ৰীশ্বাহে কয় যে উৎসৱৰ জৰিয়তে সমগ্ৰ সমাজখন একত্ৰিত হৈ সামুহিক দৃষ্টিভংগীৰে আগবাঢ়ি যায় আৰু উত্তৰায়ন হৈছে সেই পৰম্পৰাৰ এটা অংশ।

০০০০০০০০০

প্ৰতিবাদকাৰীসকলক দমনৰ বাবে ইৰানে গ্ৰহণ কৰা হিংসাত্মক কাৰ্যকলাপ প্ৰতিহত কৰাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই যিকোনো পদক্ষেপ ল'ব বুলি ইৰানক সকিয়াই দিয়ে। যোৱা নিশা নিউয়ৰ্কত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ এখন জৰুৰী বৈঠকত আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্থায়ী প্ৰতিনিধি মাইক ৱাল্টজে কয় যে ৰাষ্ট্ৰপতি ট্ৰাম্পে ইৰানত প্ৰতিবাদকাৰীক হত্যা কৰাৰ চৰকাৰী পৃষ্ঠপোষকতাক বাধা দিবলৈ আমেৰিকাই সকলো বিকল্প সাজু কৰি ৰাখিছে বুলি স্পষ্ট কৰি দিয়ে। ইৰানৰ উপ স্থায়ী প্ৰতিনিধি গোলাম হুছেইন দৰ্জিয়ে কয় যে প্ৰত্যক্ষ বা পৰোক্ষ আক্ৰমণ যিয়েই হওক, ই নিৰ্ণায়ক, সমানুপাতিক আৰু সঁহাৰি মুখামুখি হ'ব।

ইপিনে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে দাবী কৰে যে তেহৰানে আমেৰিকাৰ সকিয়নী পোৱাৰ পাছতে প্ৰতিবাদকাৰীসকলৰ ওপৰত আক্ৰমণ বন্ধ কৰিছিল। ৰাষ্ট্ৰসংঘৰ সহকাৰী সচিব মাৰ্থা প'বীয়ে পৰিষদক জনোৱা মতে মুদ্ৰাস্ফীতি আৰু ৰিয়েলৰ মূল্য নিম্নগামী হোৱাৰ ফলত হোৱা প্ৰতিবাদ যোৱা সপ্তাহৰ তুলনাত বৰ্তমান হ্ৰাস পাইছে আৰু অতি কম সংখ্যক লোকেহে প্ৰতিবাদ অব্যাহত ৰাখিছে। ইপিনে, ৰাছিয়া আৰু চীনে ইৰানক সমৰ্থন কৰাৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰক সমালোচনা কৰি কয় যে সামৰিক আক্ৰমণৰ ভাবুকিৰে আমেৰিকাই অঞ্চলটোত অস্থিৰতা আৰু উত্তেজনাৰ সৃষ্টি কৰিছে।

০০০০০০০০০

জম্মু-কাশ্মীৰত কালি সন্ধিয়া পুঞ্চ জিলাৰ নিয়ন্ত্ৰণ ৰেখা আৰু চাম্বা জিলাৰ ভাৰত-পাকিস্তান আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ স্পৰ্শকাতৰ অঞ্চলত পাকিস্তানী ড্ৰোণ দেখা পোৱাৰ পৰিপ্ৰেক্ষিতত নিৰাপত্তা বাহিনীৰ লোকসকল তৎপৰ হৈ উঠিছে। আকাশবাণীৰ সংবাদদাতাই জনাইছে যে পুঞ্চ জিলাৰ দিগৱাৰ খণ্ডৰ ওপৰত কেইবা মিনিটো ড্ৰোণ উৰি থকা দেখা গৈছিল আৰু সেনা বাহিনীয়ে এই ড্ৰোণক লক্ষ্য কৰি গুলীচালনা কৰে। চাম্বা জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ততো সন্দেহযুক্ত ড্ৰোণ দেখা পোৱাৰ লগতে ৰামগড় খণ্ডতো এনেধৰণৰ ড্ৰোণ পৰিলক্ষিত হয়। সেনা বিষয়াসকলে পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ দৃষ্টি অব্যাহত ৰাখিছে।

ooooooooo

জম্মু-কাশ্মীৰত ৰাজৌৰী জিলাৰ মাঞ্জাকোটে থানাৰ অধীনৰ কাকোৰা গাঁৱত কৰ্দন আৰু চাৰ্ছ অপাৰেচন চমুকৈ চি এ এছ অ'ৰ সহায়ত নিৰাপত্তা বাহিনীয়ে এটা আই ই ডি উদ্ধাৰ কৰি নিষ্ক্ৰিয় কৰে। তালাচী অভিযানৰ সময়ত অঞ্চলটোত লুকুৱাই থোৱা এটা মোনাৰ পৰা এই চাৰে তিনি কিলোগ্ৰাম ওজনৰ আই ই ডি টো উদ্ধাৰ কৰা হয়। এই ঘটনাৰ ফলত কোনো লোক হতাহত হোৱা নাই বুলি নিৰাপত্তা বাহিনীৰ সূত্ৰই প্ৰকাশ কৰিছে। বাসিন্দাসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে নিৰাপত্তা বাহিনীয়ে অঞ্চলটোত হাই এলাৰ্ট জাৰি কৰিছে।

ooooooooo

পাকিস্তানৰ বেলুচিস্তান প্ৰদেশৰ আগশাৰীৰ মানৱ অধিকাৰ সংস্থা পাংকে পাকিস্তান সমৰ্থিত মৃত্যু বাহিনীয়ে শেহতীয়াকৈ তিনিগৰাকী বেলুচ নাগৰিকক হত্যা কৰাৰ অভিযোগ উত্থাপন কৰিছে। মৃত এই লোককেইজন হৈছে মুল্লা ৰাজাক, জোহাইব আহমেদ আৰু জাৰিফ বেলুচ। তিনিওজন লোকক প্ৰথমে অপহৰণ কৰি অত্যাচাৰ চলায় আৰু পাছত হত্যা কৰে। মানৱ অধিকাৰ সংগঠনটোৱে কয় যে এই ঘটনাই বেলুচিস্তান প্ৰদেশত পাকিস্তানে দীৰ্ঘদিনে চলাই অহা অমানুষিক অত্যাচাৰকে প্ৰতিফলিত কৰে।

ooooooo

সমাপ্ত